# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 09-06-2024**
**Time :** 18-45 Hrs.

## *ASSAMESE REGIONAL EVENING BULLETIN*

°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°°

১। আজি ৰাষ্ট্ৰপতি ভৱনত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ শপতগ্ৰহণ অনুষ্ঠান। বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীৰ একেৰাহে তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ। সাতখন ৰাষ্ট্ৰৰ শীৰ্ষস্থানীয় নেতাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ।

২। কেইবাগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰীৰ লগতে বিগত মন্ত্ৰীসভাৰ জ্যেষ্ঠ সদস্যৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত পুনৰ স্থান লাভৰ সম্ভাৱনা।

৩। চৰকাৰী বাসভৱনত সম্ভাব্য মন্ত্ৰীসভাৰ সৈতে নৰেন্দ্ৰ মোদীৰ চাহ্ মেল। লোকসভাৰ সাংসদ সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাৰ মন্ত্ৰীত্ব লাভৰ সম্ভাৱনা।

*আৰু*

৪। নিউয়ৰ্কৰ নাচাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত চিৰপ্ৰতিদ্বন্দ্বী পাকিস্তানৰ মুখামুখী।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ভৱনত সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে প্ৰধানমন্ত্ৰী মোদী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱাব।

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

উল্লেখযোগ্য যে, চুবুৰীয়া আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ ভালেকেইখন বন্ধু ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপ্ৰধান তথা চৰকাৰ প্ৰধানক এই শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰাণীল বিক্ৰম সিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ডঃ মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি অহমদ অফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা, মৰিছাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাল প্ৰচণ্ড আৰু ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টোবগে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। মালদ্বীপৰ ৰাষ্ট্ৰপতি, ভূটানৰ প্ৰধানমন্ত্ৰী আৰু মৰিচাচৰ প্ৰধানমন্ত্ৰী শপত গ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ উদ্দেশ্যে আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। ইফালে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী আৰু চিচিলিৰ উপ-ৰাষ্ট্ৰপতিয়ে শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় ৰাজধানী চহৰ নতুন দিল্লীত উপস্থিত হয়। শপতগ্ৰহণ অনুষ্ঠানৰ

পৰিপ্ৰেক্ষিতত ৰাজধানী দিল্লীত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত ৰাজধানী এলেকাৰ আকাশ মাৰ্গেৰে মানৱবিহীন আকাশী যানৰ উৰণ, পেৰাগ্লাইডিং, হট এয়াৰ বেলুন আদি উৰুওৱা নিষিদ্ধ কৰা হৈছে।

উল্লেখযোগ্য যে, আকাশবাণী দিল্লীয়ে সন্ধিয়া ৬ বাজি ৪৫ মিনিটৰ পৰা শপতগ্ৰহণ অনুষ্ঠানৰ চলন্ত বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই কাৰ্যসূচী আকাশবাণীৰ এফ এম গোল্ড, ইন্দ্ৰপ্ৰস্থ আৰু আকাশবাণী লাইভ নিউজ চেনেলত শুনিবলৈ পোৱা যাব। আকাশবাণীৰ ইউ টিউব চেনেল, আকাশবাণী এ আই আৰৰ যোগেও এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। অসমৰ শ্ৰোতাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগে এই অনুষ্ঠানত বিৱৰণী আঞ্চলিক ভাষাত প্ৰচাৰ কৰা হ'ব। একেদৰে আহমেদাবাদ, বেগাংলুৰু, কটক, চেন্নাই, হায়দৰাবাদ, ইম্ফল, কলকাতা, মুম্বাই আৰু তিৰুৱনন্তপুৰম কেন্দ্ৰ যোগেদিও স্থানীয় ভাষাত এই অনুষ্ঠানৰ বিৱৰণী প্ৰচাৰ কৰা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত ৭ বাজি ১০ মিনিটৰ অসমীয়া বাতৰি নিশা ৮ বাজি ৩৫ মিনিটত প্ৰচাৰ কৰা হ'ব। অৱশ্যে শপতগ্ৰহণ কাৰ্যসূচী দীঘলীয়া হ'লে এই কাৰ্যসূচী শেষ হোৱাৰ লগে লগে বাতৰি প্ৰচাৰ কৰা হ'ব।

০০০০

বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰখনৰ শপত গ্ৰহণৰ পূৰ্বে আজি ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী তথা এন ডি এৰ সংসদীয় দলৰ নেতা নৰেন্দ্ৰ মোদীয়ে লোককল্যাণ মাৰ্গত থকা প্ৰধানমন্ত্ৰীৰ বাসগৃহত মন্ত্ৰীসভাৰ সাম্ভাব্য সদস্য সাংসদসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বিশেষ সূত্ৰ অনুযায়ী বৈঠকখনত অমিত শ্বাহ, ৰাজনাথ সিং, নীতিন গাডকাৰী, জে পি নাড্ডা, নিৰ্মলা সীতাৰমন, জ্যোতিৰাদিত্য সিন্ধিয়া, মনসুখ মন্দাভিয়া, হৰদীপ সিং পুৰী, কিৰেন ৰিজিজু, সৰ্বানন্দ সোণোৱাল, ডাঃ জিতেন্দ্ৰ সিং, জে কিষান ৰেড্ডী, অন্নপুৰ্ণা দেৱী, সাৱিত্ৰী ঠাকুৰ, অশ্বিনী বৈষ্ণৱ, এছ জয়শংকৰ, পীয়ুষ গ'ৱেল, প্ৰাহ্লাদ যোশী, অনুপ্ৰিয়া পেটেলকে ধৰি ভালেকেইজন আগশাৰীৰ নেতা উপস্থিত থাকে।

উল্লেখযোগ্য যে, নৱনিৰ্বাচিত কেন্দ্ৰীয় চৰকাৰৰ আজিৰ শপতগ্ৰহণ অনুষ্ঠানত ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱালে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ইফালে, অসমৰ ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা আৰু অৰুণাচল পশ্চিম লোকসভা সমষ্টিৰ সাংসদ কিৰেন ৰিজিজুৱেও মন্ত্ৰী পৰিষদত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। এন ডি এ মিত্ৰজোঁটৰ পৰা বিহাৰৰো কেইবাগৰাকীও সাংসদে কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰাৰ সম্ভাৱনা আছে।

এই সন্দৰ্ভত এতিয়া আমি আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিবলৈ লৈছোঁ—

(১) আজি মন্ত্ৰীসভাৰ শপতগ্ৰহণ সন্দৰ্ভত আপুনি কি ক'ব? এইবাৰ যিহেতু বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰা নাই, মিত্ৰজোঁটৰ পৰৱৰ্তী চৰকাৰখনৰ গুৰুত্বপূৰ্ণ মন্ত্ৰালয় মিত্ৰদলসমূহৰ সদস্যই লাভ কৰাৰ সম্ভাৱনা আছে নেকি?

***ঃঃ ভইচ ঃঃ***

আজি শপতগ্ৰহণ সন্দৰ্ভত আপুনি আমাক সবিশেষ জনালে, ধন্যবাদ।

০০০০

তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ পূৰ্বে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি পুৱা দিল্লীৰ ৰাজঘাটত থকা মহাত্মা গান্ধী আৰু সদৈৱ অটল উদ্যানত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সমাধিত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। ইয়াৰ পিছত তেওঁ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকতো পুস্প মাল্য তৰ্পন কৰে। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, মহাত্মাৰ সেৱা আৰু সমাজ কল্যাণৰ প্ৰতি অদম্য দায়বদ্ধতাই দেশবাসীক এখন উন্নত সমাজ গঢ়াৰ দিশত পথ প্ৰদৰ্শন কৰি আছে। আনহাতে, অটল বিহাৰী বাজপেয়ীৰ দূৰদৰ্শী নেতৃত্ব আৰু প্ৰগতিৰ প্ৰতি থকা দায়বদ্ধতাই দেশখনক যথেষ্ট উপকৃত কৰিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ ইণ্ডিয়া গেটত থকা ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত দেশৰ বীৰ জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি জনাই কয় যে, এই জোৱানসকলৰ অদম্য সাহস আৰু ত্যাগে দেশৰ শক্তিশালী আৰু সমৃদ্ধিশালী ভাৰত গঢ়িবলৈ সকলোকে অনুপ্ৰাণিত কৰে। এই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা ৰাজনাথ সিং আৰু সেনা বাহিনীৰ তিনিওটা গোটৰ মুৰববীসকল উপস্থিত আছিল।

০০০০

আদিবাসীসকলৰ বীৰ পুৰুষ বীৰচা মুণ্ডাৰ আজি মৃত্যু তিথি। প্ৰবাদপ্ৰতীম জনজাতীয় নেতাজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বীৰচা মুণ্ডাৰ মাতৃভূমিৰ হৈ ব্ৰিটিচ অপশাসনৰ বিৰোধী স্থিতিক স্মৰণ কৰে।

দেশৰ অন্যান্য ঠাইৰ লগতে ৰাজ্যজুৰি বীৰ পুৰুষজনৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পালন কৰা হয়। তিনিকীয়াত বিপ্লৱী নেতাগৰাকীক সুঁৱৰি চাহ জনগোষ্ঠীৰ ছাত্ৰ সন্থাই এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত জনজাতীয় লোকসকলৰ সৰ্বাংগীন বিকাশ আৰু অধিকাৰৰ হকে অহোপুৰুষাৰ্থ কৰা স্বাধীনতা সংগ্ৰামীজনৰ অতুলনীয় দেশপ্ৰেম, সাহস আৰু কৰ্মৰাজীয়ে দেশৰ অগণন লোকক আজিও উদ্বুদ্ধ কৰা বুলি স্মৰণ কৰা হয়।

০০০০

নিউয়ৰ্কৰ নাচাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ দ্বিতীয়খন খেলত আজি ভাৰত-পাকিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে, ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে নিজৰ প্ৰথমখন খেলত আয়াৰলেণ্ডক ৮ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে পাকিস্তানৰ দলটো প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত ৫ ৰানত পৰাজিত হৈছে।

আনহাতে, এনটিগুৱাৰ নৰ্থ চাউণ্ডত হ'বলগীয়া প্ৰতিযোগিতাৰ আজিৰ আন এখন খেলত ওমান স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে দহ বজাত আৰম্ভ হ'ব।

ইপিনে, ৱেষ্ট ইণ্ডিজে গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইতিমধ্যে উগান্দাক ১৩৪ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। উগান্দাই ১৭৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৩৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ হৈ অকিল হোছিনে ৫ টা উইকেট দখল কৰে।

০০০০

লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণা, নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰৰ শপত গ্ৰহণৰ প্ৰস্তুতি, ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত, ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিত উপ নিৰ্বাচনকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

যোৱা ৪ জুনত লোকসভা নিৰ্বাচনৰ ৫৪৩ খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হয়। এই অনুসাৰে বিজেপি নেতৃত্বাধীন এন-ডি-এ মিত্ৰজোঁটে ২৯২খন আসন লাভ কৰে। আনহাতে, আই এন ডি আই মিত্ৰজোঁট ২৩৩খন আসন লাভ কৰি দ্বিতীয় স্থানত থাকে। অন্যান্যসকল ১৮খন আসনত জয়ী হয়।

বিজেপিয়ে অকলে ২৪০খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হৈছে। তেলেগু দেশমে ১৬খন আৰু জে ডি ইউৱে ১২খন আসন লাভ কৰিছে। কংগ্ৰেছে ৯৯খন আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে ৩৭খন আসন লাভ কৰিছে।

ইপিনে, অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৯খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত আৰু ইউ পি পি এলে কোকৰাঝাৰ সমষ্টিত জয়লাভ কৰিছে। ইয়াৰ বিপৰীতে ৩খন আসনত কংগ্ৰেছ জয়ী হৈছে।

০০০০

অসমৰ ৫  গৰাকী বিধায়ক লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত ৫টা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, বিহালীৰ বিধায়ক ৰঞ্জিত দত্ত, চামগুৰিৰ বিধায়ক ৰকিবুল হুছেইন, ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্য আৰু চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত এই সমষ্টিকেইটাত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পথ প্ৰশস্ত হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে যোৱা ৫ জুনত বিদায়ী মন্ত্ৰীসভাৰ সদস্যসকলৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি ভৱনত নৈশভোজৰ আয়োজন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক পদত্যাগ পত্ৰ দাখিল কৰে। সেই অনুসৰি সপ্তদশ লোকসভাৰ মন্ত্ৰীসভা ভংগ কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত যোৱা ৫ জুনত  কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অন্তিমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত চৰকাৰে জনসাধাৰণৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। এই ধাৰা পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি তেওঁ মন্তব্য কৰে। জয়-পৰাজয় ৰাজনীতিৰ এটা অংশ বুলিও তেওঁ উল্লেখ কৰে। বিগত ১০ বছৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে শ্ৰেষ্ঠখিনি উজাৰি কাম কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী, ৰাজনাথ সিং, সৰ্বানন্দ সোণোৱালকে ধৰি আন কেবিনেট মন্ত্ৰীও উপস্থিত থাকে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধক্ষ্যতাত যোৱা ৬ জুনত অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত অহা নৱেম্বৰৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি প্ৰতিখন পঞ্চায়ত আৰু জিলা পৰিষদ যাতে দুটা বিধানসভা সমষ্টিৰ অন্তৰ্গত নহয়, এই কথাত গুৰুত্ব আৰোপ কৰা হ'ব।

চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাবে পৰামৰ্শদান সমিতিয়ে ইতিমধ্যে ইউনেস্ক'লৈ ইতিবাচক প্ৰতিবেদন প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা মাহত ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ইউনেস্ক'ৰ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীত থকা ইউনেস্ক'ৰ প্ৰতিখন সদস্যৰাষ্ট্ৰৰ দূতাবাসৰ সৈতে ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সহযোগত যোগাযোগ কৰিব বুলি কেবিনেটত সিদ্ধান্ত লোৱা হয়। কেবিনেটত দূৰদৰ্শনযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে ৫২ টা খণ্ডত সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীয়ে ১০ কোটি টকাকৈ ব্যয় কৰাৰ বাবে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিত অনুমোদন জনোৱা হয়। আনহাতে, ১৫ লাখ ব্যক্তিক নতুনকৈ ৰেচন কাৰ্ড প্ৰদানৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। ০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধীক সৰ্বসন্মতিক্ৰমে কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ হিচাপে বাচনি কৰা হৈছে। কালি সাংবাদিকৰ আগত দলৰ নেতা ৰাজীৱ শুক্লাই এই বিষয়ে প্ৰকাশ কৰি কয় যে নেত্ৰীগৰাকীয়ে এই পদবী গ্ৰহণ কৰিছে। ইয়াৰ আগেয়ে কালি দলৰ কাৰ্যকৰী কমিটিয়ে দলটোৰ নেতা ৰাহুল গান্ধীক লোকসভাত বিৰোধী দলৰ নেতা হিচাপে দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনাই সৰ্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ০০০০

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন আৰু অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, ওড়িশা তথা ছিকিম বিধানসভা নিৰ্বাচন আৰু কেইবাখনো আসনত উপনিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা ৬ জুনৰ পৰা নিৰ্বাচনী আচৰণবিধি প্ৰত্যাহাৰ কৰে। নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে দেশত এই বিধি বলৱৎ হোৱাৰ লগতে এই বিধি সমূহ ভংগ কৰাৰ লোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে নিৰ্বাচনী আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ড০ সুখবীৰ সিং সান্ধুৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰি অষ্টাদশ লোকসভাৰ বাবে নিৰ্বাচনীত সাংসদসকলৰ তালিকাৰ এটা প্ৰতিলিপি ৰাষ্ট্ৰপতিক দাখিল কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

০০০০

সমাপ্ত